সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca Foundation

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,-
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ৫

দৃশ্যান্তৰ

অংশ – ২ (প্রশ্নোত্তৰ)

অংগৰাগ ভূঞা

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া :

(ক) কবিয়ে কিমান বছৰৰ আগতে মানুহজনক লগ পাইছিল?

উত্তৰঃ কবিয়ে পঁচিশ বছৰৰ পাচত মানুহজনক লগ পাইছিল ।



(খ) মানুহজনে কিয় নিজৰ ঘৰ বিচাৰি পোৱা নাছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মানুহজন কুকুৰীকণা আছিল বাবে নিজৰ ঘৰ বিচাৰি পোৱা নাছিল।



(গ) মানুহজনে নিজৰ ঘৰৰ পদূলি ক'ত বিচাৰিছিল?



উত্তৰঃ মানুহজনে নঙলামুখতে নিজৰ ঘৰৰ পদূলি বিচাৰিছিল।



(ঘ) মানুহজনৰ ঘৰৰ দাঁতিত কিহে নমস্কাৰৰ ভংগীত আছিল?



উত্তৰঃ মানুহজনৰ ঘৰৰ দাঁতিত আগলি বাঁহে নমস্কাৰৰ ভংগী কৰিছিল।



(ঙ) কবিয়ে কোন সময়ত মানুহজনক লগ পাইছিল?



উত্তৰঃ কবিয়ে গধূলি সময়ত মানুহজনক লগ পাইছিল।



২। সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিৰ স'তে কি কি কথা পাতিছিল তোমাৰ নিজৰ কথাৰে লিখা।



উত্তৰঃ সাতমহলীয়া ঘৰৰ বাহিৰত ৰৈ থকা মানুহজনে কবিলৈ সন্দেহৰ দৃষ্টিৰে চাই ভাড়াঘৰ বিচাৰি আহিছে নেকি সুধিছিল । মানুহজনে কবিৰ উত্তৰলৈ বাট নাচাই নিজেই নিজৰ মনোভাৱ প্ৰকাশ কৰিছিল । মানুহজনে পোনতে কৈছিল যে কুবেৰৰ এই মহলাত ক'ত ভাড়াঘৰ পাব , পালেও তাত শান্তি নাপাব । তেওঁ লগতে কৈছিল যে , মৰিলেও তাত দাহ কৰিবলৈও এজনো মানুহ নাপাব। যখৰ পোৱালিৰ দৰে তাৰ মানুহবোৰে কোনেও কাকো চিনি নাপায় । বৃদ্ধ মানুহজনে এইবোৰেই কথা পাতিছিল ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। 'দৃশ্যান্তৰ' কবিতাটোৰ মূলভাৱ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ হৰেকৃষ্ণ ডেকাৰ 'দৃশ্যান্তৰ'এটি আধুনিক কবিতা । বাস্তৱৰ ৰূঢ় সমাজৰ চিত্ৰ ইয়াত প্ৰকাশ পাইছে । আজিৰ সমাজত পুৰণি দিনৰ সেই আত্মীয়তা মহঙা হৈ পৰিছে । ইয়াত দয়া , মৰম , ভালপোৱা সময়ৰ লগে লগে মানুহৰ মাজৰ পৰা ক্ৰমাত হেৰাই গৈছে । কংক্ৰীটৰ ওখ ওখ দেৱালবোৰে যেন মানুহৰ হৃদয়তো এখন প্ৰাচীৰ সৃষ্টি কৰিছে ।

পঁচিশ বছৰীয়া দুটা ভিন্ন দৃশ্যপটৰ মাজেৰে দুখন সমাজৰ ছবি ইয়াত প্ৰকাশ কৰিছে ।

এখন সমাজ আছিল প্ৰকৃতিৰ নিচেই কাষত । য'ত আছিল কাকিনী তামোলেৰে পৰিপূৰ্ণ এখন আপোন ঘৰ । কিন্তু পঁচিশ বছৰৰ পাছত দৃশ্যপট সলনি হ'ল । কাকিনী তামোলৰ বাৰীত এতিয়া গঢ়ি উঠিল ওখ ওখ অট্টালিকা । থাকিবলৈ বহুত ঘৰ হ'ল কিন্তু মৰিলে দাহ কৰিবলৈও মানুহৰ অভাৱ হ'ল । মানুহৰ মাজত মানৱতাৰ অভাৱ ঘটিল । এতিয়াৰ মানুহে আনৰ কথা নাভাবি নিজৰ সুখতেই নিমজ্জিত । পৰিবৰ্তনৰ ফলত সমাজখনত মানুহৰ মানসিকতা যে অধপতিত হৈছে তাকেই এই কবিতাটোৰ জৰিয়তে প্ৰকাশ কৰা হৈছে ।

৪। "বৰ শান্তিত আছোঁ
এই পঁজাটিত।"
– কোনে, কিয় এইদৰে কৈছিল? কথাষাৰৰ অন্তর্নিহিত ভাৱ মোকলাই লিখা।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ কবিয়ে নঙলা মুখত নিজৰ ঘৰখন বিচাৰি থকা মানুহজনে গাঁৱৰ ঘৰখনত যে শান্তিত বাস কৰিছিল তাকে ইয়াত বুজাইছে।

আর্থিক দিশত টনকিয়াল নহ'লেও মানসিকভাৱে আগৰ দিনত মানুহবোৰ শান্তিত আছিল। তেতিয়া পৰস্পৰক মানুহে সহায়ৰ হাত আগবঢ়াইছিল। তেতিয়া মানুহৰ প্ৰতি মানুহৰ মৰম আছিল, সহানুভূতি আছিল। সেয়ে মানুহজনে পজাঁঘৰত থাকিও শান্তিত বাস কৰিছিল।

মানুহৰ মাজত থকা দয়া , মৰম , প্ৰকৃতিৰ সৌন্দৰ্য আদিবোৰৰ বাবেই মানুহজনে পজাঁঘৰটিতে শান্তিত বাস কৰিছিল । সেয়াই এই কথাশাৰীৰ অন্তনিহিত ভাৱ ।



৫। 'হেৰা অচিনাকি মানুহজন, তোমাক কি লাগেহে ইয়াত?'- কোনে কিয় কবিক এনেদৰে সুধিছে বুজাই লিখা।



উত্তৰঃ পঁচিশ বছৰৰ পাছত লগ পোৱা এজন বৃদ্ধ মানুহে কবিক উক্ত কথাষাৰ সুধিছে । এটা সাত মহলীয়া অট্টালিকাৰ ওচৰত থিয় দি থকা বৃদ্ধজনে অচিনাকি যেন দেখি তাত তেওঁক কি লাগে সুধিছিল। তেওঁ কবিক জানিবলৈ দিছিল যে যদিহে কবিয়ে সেই 'কুবেৰৰ মহলাত' ভাড়াঘৰ বিচাৰি আহিছে, তেন্তে ভাড়াঘৰ পোৱাৰ আশা কম । ভাড়াঘৰ পালেও তেওঁ শান্তিত থাকিব নোৱাৰিব । তাত থকা মানুহবোৰক তেওঁ যখৰ পোৱালি আখ্যা দি কৈছে যে সেই মানুহবোৰ সকলো নিজক লৈয়ে ব্যস্ত ।

সকলো স্বার্থপৰ আৰু কোনেও কাৰো খবৰ নাৰাখে। আধুনিকতাৰ ধামখুমিয়াত মানুহৰ সৰলতা কৰবাত হেৰাই গ'ল। কৃত্রিমতাই সকলোকে গ্রাস কৰি পেলালে । কংক্রীটৰ নগৰীত মনুষ্যত্ব, সহৃদয়তা তথা মূল্যবোধ যেন নিঃশেষ হৈ গ'ল । সেয়েহে বৃদ্ধজনে দয়াহীন , মানবতাহীন এখন যান্ত্রিক সমাজৰ ছবি তেওঁৰ কথাৰ মাজেৰে ফুটাই তুলিছে।

৬। 'দৃশ্যান্তৰ' কবিতাটোত কবিয়ে কিদৰে পৰিৱৰ্তিত সামাজিক জীৱনৰ ছবি আঁকিছে তোমাৰ ভাষাৰে বুজাই লিখা।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ দৃশ্যান্তৰ' কবিতাটোত কবিয়ে পৰিৱৰ্তিত সামাজিক জীৱনৰ ছবি অতি সুন্দৰভাৱে অংকন কৰিছে। কবিয়ে লগ পোৱা ব্যক্তি এজনৰ প্ৰসংগত উন্মোচন কৰিছে নগৰীয়া জীৱনৰ শূন্যতা আৰু অপ্ৰাপ্তি। কেঁচা আলি, কেঁকুৰি, দোঁ-খাই পৰা বাহঁৰ আগৰ পৰা কংক্ৰীটৰ হাবিলৈকে বিবিধ চিত্ৰকল্পৰ মাজেৰে কবিয়ে আধুনিক মানুহৰ নিঃসংগতা আৰু চহৰীয়া জীৱনৰ যান্ত্ৰিকতাক প্ৰতিফলিত কৰিছে। দৃশ্যান্তৰ' নামটোতেই আমাৰ সমাজ জীৱনৰ পৰিৱৰ্তিত সত্য অন্তৰ্নিহিত হৈ আছে।

পঁচিশ বছৰৰ আগতে গধূলি সময়ত কেঁচা আলিৰ কেঁকুৰিটোত কবিয়ে এজন কুকুৰীকণা মানুহক লগ পাইছিল । নিজৰেই ঘৰৰ পদুলিমুখত বৈ থকা মানুহজনে ফটফটীয়া জোনাকতো নিজৰ ঘৰটো বিচাৰি পোৱা নাছিল । কবিয়ে মানুহজনক নিজৰ ঘৰৰ ফালে আগবঢ়াই দিওঁতে মানুহজনে তেওঁক কৈছিল যে তেওঁ তাত বৰ শান্তিৰে আছে ।

পঁচিশ বছৰ পাছত কবিয়ে সেই মানুহজনক পুনৰ লগ পালে । তেওঁ বর্তমান বৃদ্ধ আৰু কুঁজা হৈ পৰিছে।

এটা সাত মহলীয়া অট্টালিকাৰ ওচৰত থিয় দি থকা বৃদ্ধজনে অচিনাকি যেন দেখি কবিয়ে তাত কি বিচাৰিছিল বুলি সুধিছিল । তেওঁ কবিক কৈছিল যে যদিহে কবিয়ে সেই 'কুবেৰৰ মহলাত' ভাড়াঘৰ বিচাৰি আহিছে , তেন্তে ভাড়াঘৰ পোৱাৰ আশা কম আৰু পালেও তাত শান্তিত থাকিব নোৱাৰিব । তাত থকা মানুহবোৰক তেওঁ যখৰ পোৱালি আখ্যা দি কৈছিল যে সেই মানুহবোৰ বৰ্তমান অতন্ত্য আত্মকেন্দ্রিক - সকলো স্বাৰ্থপৰ । কোনেও আনৰ খবৰ নলয় ।

এনেদৰে কবিয়ে দুটা ভিন্ন অভিজ্ঞতাৰ মাজেৰে কবিতাটোত ভাব আৰু ভাষাৰ অনুপম সামঞ্জস্য ৰাখিবলৈ সক্ষম হৈছে । লগতে আধুনিকতাৰ ধামখুমিয়াই মানুহৰ মাজৰপৰা দয়া , মানৱতা আদি মানৱীয় গুণৰাশি কাঢ়ি নিয়াৰ চিত্ৰ অংকণ কৰিছে। কৃত্ৰিমতাই মানুহক গ্ৰস কৰি পেলাইছে । মানুহৰ সহৃদয়তা, মনুষ্যত্ব আৰু মূল্যবোধ নিঃশেষ হৈ পৰিছে । এইদৰে তেওঁ সামাজিক পৰিবৰ্তনৰ ছবিখন সুন্দৰকৈ ফুটাই তুলিছে ।